**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-09-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা অষ্টমীত দেৱীক মহাগৌৰীৰ ৰূপত পূজা-অৰ্চনা কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে জনসাধাৰণে অশুভ শক্তিৰ ওপৰত শুভ শক্তিৰ বিজয় বিচাৰি শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। উগ্ৰতাৰা দেৱালয়ত আজি দুৰ্গা পূজাৰ মহা অষ্টমীত ভক্তসকলে দেৱীৰ আশীষ গ্ৰহণ কৰে। মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে।

**ধেমাজি** জিলাৰ চিলাখুটিৰ ঐতিহাসিক শ্ৰীশ্ৰী তাম্ৰেশ্বৰী আই থানতো পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকভাৱে দুৰ্গা পূজা অনুষ্ঠিত কৰা হৈছে। জোনাই সমষ্টিৰ বিধায়ক ভূবন পেগুৱে আজি ঐতিহাসিক আই থানৰ পূজাত উপস্থিত হৈ দেৱীৰ আশীৰ্বাদ লয়। বিধায়কগৰাকীয়ে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত চাকি-বন্তি জ্বলাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। ধেমাজিৰ পৰা আমাৰ সংবাদদাতা হৰেন্দ্ৰ শৰ্মাই এইদৰে কয় –

বাইট

**বিশ্বনাথ** জিলাৰ অন্তৰ্গত গহপুৰত অপাৰেচন সিন্দূৰৰ আৰ্হিৰে নিৰ্মাণ কৰা পূজা মণ্ডপে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা দেখা গৈছে। পেহেলগামৰ হৃদয়বিদাৰক ঘটনাৰ পাছত ভাৰতীয় সেনাৰ সফলতাৰ প্ৰতি শ্ৰদ্ধা জনাই গহপুৰৰ শান্তি ক্লাবে অপাৰেচন সিন্দূৰৰ আৰ্হিৰে পূজা মণ্ডপ নিৰ্মাণ কৰিছে।

বিত্তমন্ত্ৰী অজন্তা নেওগে **গোলাঘাট** চহৰৰ মাজমজিয়াত আয়োজন কৰা কেইবাখনো পূজাস্থলীত উপস্থিত হৈ ৰাজ্যবাসীৰ কল্যাণ কামনা কৰি দেৱী দুৰ্গাৰ চৰণত সেৱা আগবঢ়াইছে।

**শিৱসাগৰ** ঐতিহাসিক দেৱী দৌলত পুৰাতন ৰীতিৰে ২৯২ বছৰীয়া দুৰ্গা পূজা পালন কৰা হৈছে। বিগত বৰ্ষসমূহৰ দৰে আনন্দ উছাহ নাই যদিও আধ্যাত্মিকতাৰ মাজেৰে এইবাৰ শাৰদীয় পূজা অনুষ্ঠিত হৈছে। শান্তি-সম্প্ৰীতি, সুখ-সমৃদ্ধি আৰু মংগল কামনাৰে দেৱী দৌলত হাঁহ, ছাগলী, কোমোৰা উচৰ্গা কৰি ভক্তই পূজা অৰ্চনা কৰিছে। প্ৰচলিত ৰীতি অনুসৰি মহা অষ্টমীৰ দিনা দেৱী দৌলৰ চৌহদত শিৱসাগৰৰ পুৰণি মুছলমান দৌল্লা পৰিয়ালত মহা অষ্টমী প্ৰসাদৰ শৰাই আগবঢ়োৱা হয়। ইয়াৰ লগতে আহোম ৰাজ শাসনৰ বিষয়া কনচেং বৰপাত্ৰ গোহাঁইৰ পৰিয়ালকো শৰাই প্ৰদান কৰা হয়।

জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও **ডিব্ৰুগড়** জিলাতো পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হৈছে।

**নগাঁও** জিলাত চাৰিশৰো অধিক পূজা সমিতিয়ে এইবাৰ দুৰ্গা পূজাৰ আয়োজন কৰিছে। অৱশ্যে এইবাৰ আনন্দ উল্লাসৰ পৰিৱৰ্তে অনাড়ম্বৰভাৱে দেৱীক আৰাধনা কৰা হৈছে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগৰ পৰিপ্ৰেক্ষিতত এইবাৰ ৰাজ্যখনত শাৰদীয় দুৰ্গাপূজাত পূৰ্বৰ উছাহ নাই। শিল্পীগৰাকীৰ মৃত্যুত শোকাচ্ছন্ন হৈ থকাৰ বাবে **বজালীৰ** পূজাস্থলীসমূহতো ভক্তৰ সমাগম হৈছে যদিও কোনোধৰণৰ উছাহ-উদ্দীপনা পৰিলক্ষিত হোৱা নাই। পূজা উদযাপন সমিতিসমূহে পৰম্পৰাগত ৰীতি-নীতিৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ আশিস বিচাৰি আৰাধনা কৰিবলৈ ৰাইজক ব্যৱস্থা কৰি দিছে। oooooo

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰলৈ অসম আৰক্ষী অপৰাধ অনুসন্ধান শাখাৰ দুগৰাকী বিষয়া ৰাওনা হয়। এই ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ বিষয়াইও দিল্লীত  ঘটনাৰ অনুসন্ধানৰ বাবে উপস্থিত আছে। জুবিন গাৰ্গৰ দুৰ্ভাগ্যজনক মৃত্যু সন্দৰ্ভত অসম আৰক্ষীয়ে দাখিল কৰা এজাহাৰ সন্দৰ্ভত গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ে আনুষ্ঠানিকভাৱে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি তেওঁ উল্লেখ কৰে।

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে অনুসন্ধান অব্যাহত ৰাখিছে। প্ৰয়াত শিল্পীগৰাকীৰ সম্পৰ্কীয় ভাতৃ সন্দিপণ গাৰ্গক আজি বিশেষ তদন্তকাৰী গোটে সোধা-পোছা কৰে। উল্লেখযোগ্য যে, ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ বাবে জুবিন গাৰ্গৰ সৈতে সন্দিপণ গাৰ্গ একেলগে গৈছিল।

ইপিনে প্ৰাণৰ শিল্পীগৰাকীৰ চিতাভস্ম আজি যোৰহাটলৈ লৈ যোৱা হয়। শিল্পীগৰাকীৰ পৰিয়ালবৰ্গৰ পৰা অশ্ৰুসিক্ত নয়নেৰে যোৰহাটৰ ৰাইজে চিতাভস্মখিনি গ্ৰহণ কৰে। জিলাখনৰ কোষাগাৰ প্ৰাধিকৰণৰ ষ্ট্ৰংৰুমত নিশা চিতাভস্মখিনি ৰখা হ'ব। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কাইলৈ যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সকলো দিশ নিৰীক্ষণ কৰে। কৰ্ণধৰ সমিতিৰ সৈতে বৈঠকত মিলিত হৈ অনুষ্ঠান সুকলমে সম্পন্ন কৰিবলৈ তেওঁ সকলোৰে সহায় সহযোগিতা কামনা কৰিছে।

প্ৰাণৰ শিল্পীগৰাকীৰ ১৩ দিনীয়া আদ্যশ্ৰাদ্ধ উপলক্ষে যোৰহাট ষ্টেডিয়ামত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভাগৱত পাঠ, দিহানামৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰায় দুহেজাৰ ভকত-বৈষ্ণৱে নাম প্ৰসংগত অংশ ল'ব। ইয়াৰ লগতে বহুসংখ্যক শিল্পীয়ে জুবিন গাৰ্গৰ লাইভ পেইণ্টিং কৰিব।

ooooooo

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত আজি ছিংগাপুৰলৈ অসম আৰক্ষী অপৰাধ অনুসন্ধান শাখাৰ দুগৰাকী বিষয়া ৰাওনা হয়। এই ঘটনাৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিৰ বিষয়াইও দিল্লীত  ঘটনাৰ অনুসন্ধানৰ বাবে উপস্থিত আছে। জুবিন গাৰ্গৰ দুৰ্ভাগ্যজনক মৃত্যু সন্দৰ্ভত অসম আৰক্ষীয়ে দাখিল কৰা এজাহাৰ সন্দৰ্ভত গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ে আনুষ্ঠানিকভাৱে পাৰস্পৰিক আইনী সাহায্য চুক্তিৰ আহ্বান কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই আহ্বানৰ পাছতে গোচৰটোৰ তদন্তৰ ক্ষেত্ৰত ছিংগাপুৰে সবিশেষ তথ্য প্ৰদান কৰাৰ লগতে অভিযুক্তক ওভতাই অনা আৰু ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় হ'ব বুলি তেওঁ উল্লেখ কৰে।

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে অনুসন্ধান অব্যাহত ৰাখিছে। প্ৰয়াত শিল্পীগৰাকীৰ সম্পৰ্কীয় ভাতৃ সন্দিপণ গাৰ্গক আজি বিশেষ তদন্তকাৰী গোটে সোধা-পোছা কৰে। উল্লেখযোগ্য যে, ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ বাবে জুবিন গাৰ্গৰ সৈতে সন্দিপণ গাৰ্গ একেলগে গৈছিল।

ইপিনে প্ৰাণৰ শিল্পীগৰাকীৰ চিতাভস্ম আজি যোৰহাটলৈ লৈ যোৱা হয়। শিল্পীগৰাকীৰ পৰিয়ালবৰ্গৰ পৰা অশ্ৰুসিক্ত নয়নেৰে যোৰহাটৰ ৰাইজে চিতাভস্মখিনি গ্ৰহণ কৰে। জিলাখনৰ কোষাগাৰ প্ৰাধিকৰণৰ ষ্ট্ৰংৰুমত নিশা চিতাভস্মখিনি ৰখা হ'ব। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কাইলৈ যোৰহাট ষ্টেডিয়ামত শিল্পীগৰাকীৰ শ্ৰাদ্ধানুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠান সুচাৰুৰূপে চলাই নিয়াৰ বাবে মন্ত্ৰী বিমল বৰাই যোৰহাট ষ্টেডিয়ামত উপস্থিত হৈ আৰক্ষী প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে সকলো দিশ নিৰীক্ষণ কৰে। কৰ্ণাধৰ সমিতিৰ সৈতে বৈঠকত মিলিত হৈ অনুষ্ঠান সুকলমে সম্পন্ন কৰিবলৈ তেওঁ সকলোৰে সহায় সহযোগিতা কামনা কৰিছে।

প্ৰাণৰ শিল্পীগৰাকীৰ ১৩ দিনীয়া আদ্যশ্ৰাদ্ধ উপলক্ষে যোৰহাট ষ্টেডিয়ামত সৰ্বধৰ্ম প্ৰাৰ্থনা, ভাগৱত পাঠ, দিহানামৰ লগতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ প্ৰায় দুহেজাৰ ভকত-বৈষ্ণৱে নাম প্ৰসংগত অংশ ল'ব। ইয়াৰ লগতে বহুসংখ্যক শিল্পীয়ে জুবিন গাৰ্গৰ লাইভ পেইন্টিং কৰিব।

০০০০০০০

ধেমাজি জিলাৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি জিলা পৰিবহণ বিভাগ আৰু জিলা পথ সুৰক্ষা সমিতিয়ে চিলাপথাৰ নগৰত এলানি বাটৰ নাট প্ৰদৰ্শন কৰি পথ সুৰক্ষাৰ নিৰ্দেশাৱলী জনসাধাৰণক মানি চলিবৰ বাবে সজাগ কৰোৱাৰ প্ৰয়াস চলায়। শাৰদীয় দুৰ্গোৎসৱৰ সময়ছোৱাত যাতে কোনো ধৰণৰ পথ দুৰ্ঘটনা যাতে সংঘটিত নহয়, তাৰ প্ৰতি জনসাধাৰণক সচেতন কৰাৰ উদ্দেশ্যেৰে ধেমাজিৰ অন্যতম নাট্যগোষ্ঠী 'থিয়েটাৰি ৰং থিয়েটাৰি ছুঙ'ৰ শিল্পীসকলে পৰিৱেশন কৰা বাটৰ নাটে সকলোকে আপ্লুত কৰে।

০০০০০০০

**সমাপ্ত**